অসম বিধান সভা
তৰাচিহ্নীত প্ৰশ্ন নং : ১৬২
উত্তৰ দানৰ তাৰিখ : ২২/০৭/২০২৬
*বিষয়ঃ* **মখানা উপলব্ধৰ সম্পৰ্কে**
বিধায়কৰ নাম : শ্ৰী পবিত্ৰ ৰাভাঃ

মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

গোৱালপাৰা পশ্চিম সমষ্টিৰ অন্তৰ্গত উৰপদ বিলত বৃহৎ পৰিমাণ মখানা উপলব্ধ। মখাণাৰ পুষ্টি গুণ আৰু স্বাস্থ্যগত উপকাৰিতাৰ প্ৰতি লক্ষ্য ৰাখি অসমত মখানা খেতিৰ সম্প্ৰসাৰণ প্ৰক্ৰিয়াকৰণ আৰু বজাৰ সংযোগৰ জৰিয়তে এই সম্ভাৱনাময় খণ্ডটোৰ বিকাশৰ বাবে চৰকাৰে বৰ্তমানলৈকে কি পদক্ষেপ গ্ৰহণ কৰিছে ? ভৱিষ্যতে এই ক্ষেত্ৰত চৰকাৰৰ কোনো বিশেষ পৰিকল্পনা আছেনে ?

**<u>উত্তৰ</u>**

মাননীয় কৃষি বিভাগৰ মন্ত্ৰী শ্ৰী পীযুষ হাজৰিকা দেৱে উত্তৰ দিবঃ

মখনাৰ (মাখানা) পুষ্টিগত আৰু ঔষধি গুণ তথা স্বাস্থ্যগত উপকাৰিতাৰ প্ৰতি লক্ষ্য ৰাখি অসমতো ভাৰত চৰকাৰৰ কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়ৰ অধীনৰ ৰাষ্ট্ৰীয় মখনা ব'ৰ্ডৰ মখনা খেতিৰ উন্নয়নৰ বাবে ২০১৫-১৬ বৰ্ষৰ পৰা এখন অভিলাষী আঁচনি গ্ৰহণ কৰা হৈছে। অসমৰ জলাশয়, বিল আদিত বহু বছৰৰ পৰাই প্ৰাকৃতিকভাৱে মখনাৰ খেতি হৈ আহিছে যদিও প্ৰণালীবদ্ধ বা সংঘবদ্ধভাৱে ইয়াৰ খেতি এতিয়াও হোৱা নাই। ইয়াৰ ব্যৱসায়িক দিশ তথা প্ৰক্ৰিয়াকৰণৰ ব্যৱস্থা আজি পৰ্যন্ত কৰা দেখা যোৱা নাই।

মখনা খেতিৰ প্ৰচুৰ সম্ভাৱনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি ২০২৫-২৬ বৰ্ষৰ পৰা ইয়াৰ সম্প্ৰসাৰণৰ ব্যৱস্থা হাতত লোৱা হৈছে। চলিত বৰ্ষত শ্ৰীভূমি, ধুবুৰী, বিশ্বনাথ, মৰিগাঁও, কামৰূপ, কামৰূপ (মহানগৰ), দৰং, ডিব্ৰুগড়, বাক্সা আদিকে ধৰি মুঠ ৯ খন জিলাক সামৰি ৮৪ হেক্টৰ কৃষি ভূমি ও জলাশয়ত মখনা সম্প্ৰসাৰণৰ ব্যৱস্থা কৰা হৈছে। ইয়াত সৰ্বমুঠ কৃষকৰ সংখ্যা সংখ্যাটো অস্পষ্ট।

মখনা খেতিৰ বিষয়ে অধিক অভিজ্ঞতা অৰ্জনৰ বাবে অসমৰ ৩০ জন কৃষকক বিহাৰৰ মখনা কৃষি প্ৰধান অঞ্চললৈ ব্যৱহাৰিক অভিজ্ঞতা লাভৰ উদ্দেশ্যে ভ্ৰমণ কৰোৱাৰ পৰিকল্পনা চৰকাৰীভাৱে কৰা হৈছে।

অসংগঠিত ৰূপত উৎপাদিত মখনাৰ ফচল বৰ্তমান অসমৰ বাহিৰৰ ক্ৰেতাসকলে ক্ৰয় কৰি আছে। ফলস্বৰূপে অসমৰ কৃষকে প্ৰকৃত বজাৰ মূল্য পোৱা নাই, কিয়নো অসমত বৰ্তমানলৈ মখনা প্ৰক্ৰিয়াকৰণৰ কোনো ব্যৱস্থা গঢ়ি উঠা নাছিল বা বজাৰ সংযোগৰ ব্যৱস্থা হোৱা নাছিল। এই আটাইবোৰ কথাৰ প্ৰতি লক্ষ্য ৰাখি, কৃষকসকলে যাতে আমাৰ ৰাজ্যখনতে ইয়াক প্ৰক্ৰিয়াকৰণ কৰি সঠিক বজাৰ মূল্য পাব পাৰে, তাৰ বাবে কামৰূপ (মহানগৰ) জিলাৰ সোণাপুৰ অঞ্চলৰ কামপুৰত প্ৰায় ১৫-২৫ লাখ টকা ব্যয় সাপেক্ষে যান্ত্ৰিকভাৱে মখনা প্ৰক্ৰিয়াকৰণ উদ্যোগ স্থাপন কৰা হৈছে।

ব্যক্তিগতভাৱে স্থাপিত এই মখনা প্ৰক্ৰিয়াকৰণ উদ্যোগটো চৰকাৰৰ মখনা উন্নয়ন আঁচনিৰ অধীনত ৰাজসাহায্যযুক্ত হ'ব। এই উদ্যোগটোৰ দ্বাৰা প্ৰতি ঘণ্টাত ৫০ কিলোগ্ৰাম মখনা প্ৰক্ৰিয়াকৰণ কৰাৰ ক্ষমতা আছে। অসমৰ কৃষকে ইয়াৰ জৰিয়তে উৎপাদিত মখনাৰ এখন সঠিক বজাৰ পোৱাত নিশ্চয় সহায় হ'ব।

২০২৬-২৭ বৰ্ষত বিহাৰৰ পৰা উন্নত মানৰ মখনা বীজ ক্ৰয় কৰি আনি অসমৰ অধিক জিলাক সামৰি ইয়াক সম্প্ৰসাৰণ কৰা হ'ব। ইয়াৰ বাবে ইতিমধ্যে কৃষকসকলক অসম কৃষি বিশ্ববিদ্যালয়ৰ অভিজ্ঞতাসম্পন্ন সমল ব্যক্তিৰ দ্বাৰা প্ৰশিক্ষণ দি থকা হৈছে আৰু অধিক কৃষকক প্ৰশিক্ষণ দিয়াৰ পৰিকল্পনা কৰা হৈছে।

*************